| জনগোষ্ঠী | পুৰুষ | মহিলা | মুঠ জনসংখ্যা |
|---|---|---|---|
| আন্দামাননিজ | ২৪ | ১৯ | ৪৩ |
| জাৰৱা | ১২৫ | ১১৫ | ২৪০ |
| নিকোবাৰিজ | ১৪,৬৪৮ | ১৪,০০৭ | ২৮,৬৫৩ |
| ওংগে | ৫৭ | ৩৯ | ৯৬ |
| চেণ্টিনেলিজ | ২১ | ১৮ | ৩৯ |
| চম্পেঞ্চ | ২৫৪ | ১৪৪ | ৩৯৮ |

**আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জৰ জনগোষ্ঠীসকল ঃ**

আন্দামান আৰু নিকোবৰ এই দুয়োটাত মুঠ ৬ টা জনগোষ্ঠীৰ লোক বাস কৰে। ইয়াৰে ৪ টা আন্দামানৰ আৰু বাকী ২ টা নিকোবৰ দ্বীপপুঞ্জৰ। আন্দামান দ্বীপপুঞ্জৰ বাসিন্দা সকল হৈছে— বৃহৎ আন্দামানিজ, ওংগে আৰু চেণ্টিনেলিজ। আনহাতে নিকোবাৰিজ আৰু চমপেঞ্চসকল হৈছে নিকোবৰ দ্বীপপুঞ্জৰ বাসিন্দা।

**বৃহৎ আন্দামানিজ ঃ** এইটো এটা অতি ক্ষুদ্ৰ জনগোষ্ঠী। ১৯০১ চনৰ লোক পিয়ল মতে বৃহৎ আন্দামানিজসকলৰ মুঠ জনসংখ্যা আছিল ৬০৫ জন আৰু ২০০১ ৰ চনৰ পিয়ল মতে মাত্ৰ ৪৩ জন। অতি দ্ৰুতগতিত বৃহৎ আন্দামানিজসকলৰ জনসংখ্যা হ্ৰাস হোৱাটো মন কৰিবলগীয়া। আন্দামান দ্বীপপুঞ্জৰ ষ্ট্ৰেইট দ্বীপৰ এওঁলোক স্থায়ী বাসিন্দা।

বৃহৎ আন্দামানিজ সকল নিগ্ৰো প্ৰজাতীয় লক্ষণ বিশিষ্ট নেগ্ৰিট' প্ৰজাতীয় গোটৰ অৰ্ন্তভূক্ত। তেওঁলোক আংশিক ভাৱে যাযাবৰী জীৱন কটায়। স্থায়ী গাঁও এখন কেবাটাও পৰিয়ালেৰে গঠিত হয় আৰু বছৰৰ সুদীৰ্ঘ সময় গোটেই বাৰিষাকালটো কটায়। বাৰিষাৰ শেষত পৰিয়াল কেইটা স্থায়ীগাঁও এৰি আনঠাইলৈ গুচি যায় আৰু বাৰিষাৰ আগে আগে স্থায়ী গাঁও পায়হি।

বৃহৎ আন্দামানিজসকলৰ জীৱিকা নিৰ্বাহৰ প্ৰধান উপায় হৈছে সংগ্ৰহ, মাছ ধৰা আৰু চিকাৰ কৰা। হাবিৰ পৰা বিভিন্ন প্ৰকাৰৰ ফলমূল, শিপা, বনৰীয়া শাক, মৌৰস সংগ্ৰহ কৰি আহাৰৰ বিচিত্ৰতা বঢ়ায়। মাছ ধৰা আৰু চিকাৰ উভয় কামৰ বাবে ধনুকাঁড় ব্যৱহাৰ কৰে। এওঁলোকে সাধাৰণ ভাৱে মাটিৰ পাত্ৰ তৈয়াৰ কৰিব পৰে, লগতে অতি উৎকৃষ্ট মানৰ বাহঁৰ পাচী খৰাহী আদি সামগ্ৰী তৈয়াৰ কৰিব পাৰে।

কিছুবছৰ আগলৈকে এইসকললোকে পোছাক পৰিধান নকৰাকৈয়ে থাকিছিল। লজ্জা নিবাৰণৰ নামত গছৰ আহেঁৰে তৈয়াৰ কৰা নামমাত্ৰ সামগ্ৰী ব্যৱহাৰ কৰিছিল। সময়ৰ অগ্ৰগতিৰ লগে লগে অন্য মানুহৰ সংস্পৰ্শলৈ আহি কাপোৰ পৰিধান কৰিবলৈ শিকিছে। আন্দামানিজসকল প্ৰসাধন প্ৰিয়। শৰীৰৰ বিভিন্ন অংশত বিভিন্ন ৰঙেৰে নানা ৰেখাচিত্ৰ অংকণ কৰে। এওঁলোকৰ মাজত উল্কি অকাঁ (tatoo) প্ৰথাৰ বহুল প্ৰচলন দেখা যায়।

**জাৰৱা ঃ** 'জাৰৱা' শব্দৰ অৰ্থ হৈছে "অন্য মানুহ" নাইবা "অচিনাকী মানুহ"। হয়তো বৃহৎ আন্দামানিজসকলে এই মানুহখিনিক উক্ত নামেৰে নামাকৰণ কৰিছিল। জাৰৱাসকলৰ বাসস্থান গভীৰ অৰণ্যত আৰু সাধাৰণতে অন্য মানুহৰ সংস্পৰ্শৰ পৰা দূৰৈত থাকে। এওঁলোক অতি হিংস্ৰ প্ৰকৃতিৰ আৰু আন মানুহক শত্ৰু বুলি ভাৱে। সেইবাবেই আন্দামান দ্বীপপুঞ্জৰ আন আন জনগোষ্ঠী সমূহে জাৰৱা সকলক বৰ্বৰ আখ্যা দিয়ে। হয়তো এইবিলাক কাৰণতেই জাৰৱা সকলৰ বিষয়ে কোনোধৰণৰ সাংস্কৃতিক গৱেষণা হোৱা নাই। সীমিত জনসংখ্যাৰ এই জাৰৱা সকলৰ জনসংখ্যাৰ হাৰ অতি দ্ৰুতগতিত নিম্ন হ'ব ধৰিছে। ইয়াৰ প্ৰমাণ দিয়ে ভাৰত চৰকাৰৰ জনসংখ্যা জৰীপৰ প্ৰতিবেদন সমূহে। ১৯০১ চনৰ মতে মুঠ জনসংখ্যা আছিল ৪৬৮, ১৯৯৯ চনত ২৭৫ আৰু শেহতীয়া ২০০১ চনৰ জৰীপমতে মাত্ৰ ২৪০।

বৃহৎ আন্দামানিজসকলৰ দৰেই জাৰৱা সকলো নিগ্ৰ' প্ৰজাতিৰ অন্তৰ্ভুক্ত। তেওঁলোকৰ শাৰীৰিক উচ্চতা যথেষ্ট কম, গাৰ বৰণ কিচ্‌কিচিয়া ক'লা আৰু অতি মসৃণ। চকুৰ মনি অত্যন্ত বগা হোৱাৰ বাবেই ক'লা বৰণৰ চালৰ তুলনাত অতি উজ্জ্বল দেখা যায়। জাৰৱাসকলে নিজস্ব দোৱানেৰে কথাবতৰা পাতে, আৰু এই দোৱান বাকী জনগোষ্ঠীসকলৰ লগত নিমিলে। পুৰুষ মহিলা উভয়ে প্ৰায় উলংগ হৈ থাকে। প্ৰাপ্তবয়স্ক পুৰুষসকলে শৰীৰৰ নিম্নাংশত, গছৰ বাকলীৰে তৈয়াৰী পেটি সদৃশ আভৰণ

*পুৰুষ মহিলা উভয়ে শৰীৰৰ বিভিন্ন অংগ আৰু মুখমণ্ডলত ৰেখা চিত্ৰ অংকন কৰি ভাল পায়। ৰঙা, বগা আৰু হালধীয়া প্ৰাকৃতিক ৰঙৰ সৈতে জন্তুৰ চৰ্বি সানি শৰীৰৰ বিভিন্ন অংশত ছবি আঁকে। নাৰীসকলে ডিঙিত হাঁড়ৰ মালা পিন্ধে। ফুল পাতেৰে গঠা মালাৰে মূৰ আৰু বাহু সজাই ভাল পায়।*

পৰিধান কৰে। প্ৰাপ্তবয়স্ক মহিলাসকলে গছৰ পাতেৰে তৈয়াৰী আভৰণ পিন্ধে। জাৰৱা পুৰুষ মহিলা উভয়ে মুক্তমনে জংঘলত ঘুৰি ফুৰে আৰু কোনোধৰণৰ বাধা সহ্য নকৰে। সেইবাবেই জাৰৱা অধ্যুষিত অঞ্চলসমুহ "জনজাতি সংৰক্ষিত এলেকা" হিচাপে চৰকাৰে স্বীকৃতি দিছে।

জাৰৱা জনগোষ্ঠীৰ লোকসকল যাযাবৰী আৰু তেওঁলোকে খাদ্য সংগ্ৰহ কৰে হাবি বননি আৰু সাগৰৰ পৰা। চিকাৰ আৰু মাছধৰা কাৰ্যত জাৰৱাসকল অতি পাৰ্গত। চিকাৰ কৰা জন্তু বিশেষকৈ গাহৰি, জেঠী আদি সিজাই খায়। সাগৰীয় কেকোঁৰা, কাছ, কাছৰ কণী আদিয়ে তেওঁলোকৰ আহাৰৰ বিচিত্ৰতা বঢ়ায়। জাৰৱাসকলে মৌ খুউৱ ভাল পায় আৰু সুউচ্চ বিপদসংকুল গছৰ পৰাও অতি সহজে মৌ আহৰণ কৰে।

পুৰুষ মহিলা উভয়ে শৰীৰৰ বিভিন্ন অংগ আৰু মুখমণ্ডলত ৰেখা চিত্ৰ অংকন কৰি ভাল পায়। ৰঙা, বগা আৰু হালধীয়া প্ৰাকৃতিক ৰঙৰ সৈতে জন্তুৰ চৰ্বি সানি শৰীৰৰ বিভিন্ন অংশত ছবি আঁকে। নাৰীসকলে ডিঙিত হাঁড়ৰ মালা পিন্ধে। ফুল পাতেৰে গঠা মালাৰে মূৰ আৰু বাহু সজাই ভাল পায়।

বৰ্ত্তমান সময়ত চৰকাৰী প্ৰচেষ্টাত কিছুসংখ্যক জাৰৱা লোকৰ মাজত পৰিৱৰ্তনৰ জোৱাৰ অহা দেখা গৈছে। পূৰ্বৰ হিংস্ৰ স্বভাৱৰ সলনি কিছু নমনীয় স্বভাৱলৈ ঘূৰি আহিছে।

**ওংগে ঃ** আন্দামানিজ আৰু জাৰৱাসকলৰ দৰেই ওংগে সকলো নেগ্ৰিট' প্ৰজাতীয় গোটৰ অন্তৰ্গত। গাৰ বৰণ অতি ক'লা। শাৰীৰিক উচ্চতা মধ্যমীয়াৰ পৰা চাপৰ। প্ৰতিজন পুৰুষ ওংগেৰ গড় উচ্চতা ১৪৮ ছেঃ মিঃ আৰু মহিলাৰ ১৩৮ ছেঃমিঃ।

১৯৫১ চনৰ লোক পিয়ল মতে ওংগেসকলৰ মুঠ জনসংখ্যা আছিল ৬৭২, কিন্তু ২০০১ চনৰ পিয়লমতে এইজনসংখ্যা দ্ৰুতগতিত হ্ৰাস হৈ আহি হৈছেগৈ মাত্ৰ ৯৬ জন। এই ওংগেসকল প্ৰধানকৈ ক্ষুদ্ৰ আন্দামান দ্বীপপুঞ্জত বাস কৰে। ওংগেসকলৰ নিজস্ব ভাষা আছে আৰু এইভাষা অন্যান্য জনগোষ্ঠীৰ লগত নিমিলে। পুৰুষ মহিলা উভয়ে কোনো কাপোৰ নিপিন্ধে আৰু শৰীৰৰ বিভিন্ন অংগত আৰু মুখমণ্ডলত নানা তৰহৰ ছবি আঁকে।

ওংগেসকল অতি পাকৈত চিকাৰী আৰু মাছমৰীয়া। তেওঁলোকে সুউচ্চ গছত বগাই মৌজোল আহৰন কৰিব পাৰে। তেওঁলোকে সাধাৰণতে বনৰীয়া গাহৰি, সাগৰীয় মাছ, কেকোঁৰা, শামুক আদি খায়। ইয়াৰ বাহিৰেও হাবিৰ পৰা নানাধৰণৰ ফলমূল, আলু, কচু আদি সংগ্ৰহ কৰি আহাৰৰ বিচিত্ৰতা বঢ়ায়। ১৯৭৬ চনত চৰকাৰৰ তৰপৰ পৰা আগবঢ়োৱা আধুনিক খাদ্য সম্ভাৰ যেনে চাউল, আটা, মিঠাতেল, নিমখ আদি তেওঁলোকে গ্ৰহণ কৰা দেখা গৈছে। চৰকাৰী প্ৰচেষ্টাত তেওঁলোকৰ কিছুমানে খেতি কৰিবলৈও শিকিছে। ওংগেসকল বেতেঁৰে তৈয়াৰী পাটি বনোৱাত আৰু কাঠৰ সামগ্ৰী তৈয়াৰ কৰাত অতি পাৰ্গত।

**চেন্টিনেলিজ ঃ** আন্দামান দ্বীপপূঞ্জৰ আটাইতকৈ আচুতীয়াকৈ থকা জনগোষ্ঠীটো হৈছে চেন্টিনেলিজসকল। ক্ষুদ্ৰ আন্দামানৰ চেন্টিনেলিজ দ্বীপৰ বাসিন্দা হোৱা হেতুকে এওঁলোকক চেন্টিনেলিজ নামেৰে জনা যায়। এই ক্ষুদ্ৰ দ্বীপটোৰ আয়তন মাত্ৰ ২৩ বৰ্গমাইল।

চেন্টিনেলিজসকল নেগ্ৰিট' প্ৰজাতীয় গোটৰ অন্তৰ্ভূক্ত। ১৯০১ চনৰ পিয়লমতে চেন্টিনেলিজ সকলৰ মুঠ জনসংখ্যা আছিল ১১৭ জন। ২০০১ চনত ইয়াৰ জনসংখ্যা কমি গৈ হয়গৈ মাত্ৰ ৩৯ জন।

চিকাৰ আৰু মাছমৰা তেওঁলোকৰ প্ৰধান জীৱিকা।



বনৰীয়া গাহৰী, সামুদ্ৰিক মাছ, কাছ, কাছকণী, কেঁকোৰা আদি এওঁলোকে খাই ভাল পায়। বনৰীয়া জেঠিৰ মঙহ আৰু কুমজেলেকুৱা চেন্টিনেলিজ সকলৰ প্ৰিয় খাদ্য।

চেন্টিনেলিজসকল যাযাবৰী প্ৰকৃতিৰ। এওঁলোকৰ জুপুৰীবোৰ সাগৰৰ পাৰৰ পৰা প্ৰায় আধাকিলমিটাৰ দূৰৈত অৱস্থিত। চেন্টিনেলিজ নাৰীসকলে সাধাৰণতে স্থানীয় সাধাৰণ সৰু সৰু আহিলাৰে মাছ ধৰে। জংঘলতকৈ সাগৰৰ ওপৰতহে বেছি নিৰ্ভৰশীল এই চেন্টিনেলিজসকল। এওঁলোকে সৰু সৰু নাওঁ সাজি তাৰ জৰিয়তে সাগৰত মাছ ধৰে। সাগৰত মাছ মৰাৰ বাবে তেওঁলোকে প্ৰধানকৈ ধনুকাড় আৰু শেল ব্যৱহাৰ কৰে। ধনুকাড়েৰে তেওঁলোকে নিজকে আত্মৰক্ষা কৰে। সেইবাবে অনা-চেন্টিনেলিজসকল এওঁলোকৰ কাষ চাপিবলৈ সাহস নকৰে। আন্দামান চৰকাৰ আৰু ভাৰতীয় নৃতাত্ত্বিক জৰীপ সংস্থাৰ যুটীয়া প্ৰচেষ্টাত ১৯৯১ চনৰ পৰা চেন্টিনেলিজসকলৰ জনজীৱনত সামান্য পৰিবৰ্তন পৰিলক্ষিত হোৱা দেখা গৈছে।

**নিকোবৰ দ্বীপপুঞ্জৰ বাসিন্দাসকল ঃ**

**নিকোবাৰিজ ঃ**

পাতল শ্বেতবৰ্ণৰ, মধ্যমীয়া উচ্চতাৰে নিকোবাৰিজসকল মংগোলীয় প্ৰজাতীয় গোটৰ অন্তৰ্গত। অৰ্থনৈতিক দিশত অন্যান্য জনগোষ্ঠীতকৈ এওঁলোক অধিক স্বচ্ছল। খৃষ্টীয়ান মিছনেৰীৰ প্ৰভাৱত এওঁলোকৰ প্ৰায় ৯৫ লোকে খৃষ্ট ধৰ্ম গ্ৰহণ কৰিছে।

২০০১ চনৰ লোক পিয়লৰ তথ্য অনুসৰি নিকোবাৰিজসকলৰ মুঠ জনসংখ্যা ২৪,৬৫৩ জন। যাযাবৰী হোৱাৰ বিপৰীতে, এওঁলোকে স্থায়ীভাৱে বসবাস কৰে। আন্দামান দ্বীপপুঞ্জৰ অন্য বাসিন্দাসকলৰ দৰে এওঁলোক হিংস্ৰ প্ৰকৃতিৰ নহয়। এওঁলোকৰ সৰহ সংখ্যকেই কৃষিকৰ্ম কৰি জীৱিকা নিৰ্বাহ কৰে।

**চমপেঞ্চ ঃ**

"চমপেন" শব্দৰ অৰ্থ হৈছে জংঘলৰ মানুহ। নিকোবাৰিজ সকলৰ দৰেই এওঁলোকো মংগলীয় প্ৰজাতিৰ অন্তৰ্ভূক্ত। এওঁলোকে বৃহৎ নিকোবৰ দ্বীপপুঞ্জৰ আশে পাশে পাহাৰৰ উচ্চতাত, পাহাৰৰ পাদদেশত, নদীৰ মোহনাত আৰু গভীৰ অৰণ্যত বাস কৰে। ১৯০১ চনৰ লোকপিয়ল মতে চমপেঞ্চ মুঠ জনসংখ্যা আছিল ৩৪৮ জন আৰু ২০০১ চনত জনসংখ্যা বৃদ্ধি হয়গৈ ৩৯৮ জনলৈ। ৫ ৰ পৰা ১০ টা পৰিয়ালেৰে গঠিত একো একোটা গোটেৰে তেওঁলোকে খাদ্যৰ সন্ধানত এঠাইৰ পৰা আনঠাইলৈ ঘূৰি ফুৰে। চিকাৰ, মাছমৰা আৰু অন্বেষণ, এওঁলোকৰ প্ৰধান জীৱিকাৰ উপায়। ৰঙাপৰুৱা এওঁলোকৰ প্ৰিয় খাদ্য। অতীজতে এই চমপেঞ্চসকল অতি হিংস্ৰ প্ৰকৃতিৰ আছিল। কালক্ৰমত অন্য লোকৰ সংস্পৰ্শলৈ আহি পূৰ্ব্বৰ হিংস্ৰ স্বভাৱৰ কিছু সলনি হোৱা দেখা গৈছে।

**জাৰৱাসকলৰ জনজীৱনৰ ওপৰত এক চমু অৱলোকন**

**অৰ্থনীতি ঃ** আন্দামানৰ অধিবাসীসকল ঘাইকৈ জাৰৱাসকল অঘৰী প্ৰকৃতিৰ, খাদ্যৰ সন্ধানত এঠাইৰ পৰা আনঠাইলৈ ঘুৰি ফুৰে। ঋতু অনুযায়ী বাসস্থানৰ লগতে খাদ্য সম্ভাৰৰ পৰিৱৰ্ত্তিত ৰূপ মন কৰিবলগীয়া। বাৰিষাকালত খাদ্যৰ নাটনি হোৱা দেখা যায়। আনহাতে খৰালী আৰু গ্ৰীষ্মকালত সাগৰ আৰু জংঘল উভয়তে খাদ্যৰ প্ৰাচুৰ্য্যতা দেখা যায়।

**সামাজিক সংগঠন ঃ**

জংঘলত বাস কৰা এইসকল লোকে দহ বাৰটা পৰিয়ালেৰে একো একোটা গোট গঠন কৰে। একোটা গোটৰ মুঠ জনসংখ্যা প্ৰায় ৫০জন। গোটৰ নাম অনুযায়ী বাসস্থান এলেকাৰ নাম নিৰ্ণয় কৰা হয়। সাগৰ আৰু হাবিত থকা পৰ্য্যাপ্ত পৰিমাণৰ আহাৰৰ বাবে তেওঁলোকে সাগৰৰ পাৰত বাসস্থান সাজি লয়। তেওঁলোকৰ মাজত তিনিধৰণৰ বাসস্থান দেখা যায়—(১) স্থায়ী বাসস্থান (২) অস্থায়ী বাসস্থান আৰু (৩) চিকাৰৰ বাসস্থান।

**বিবাহ ঃ**

জাৰৱা সমাজত বিবাহ এক গুৰুত্বপূৰ্ণ সামাজিক অনুষ্ঠান। সন্তান জন্মৰ পাছতহে এখন বিয়া সফল বিয়া বুলি তেওঁলোকে গণ্য কৰে। বিবাহৰ ক্ষেত্ৰত কেতবোৰ কঠোৰ বাধা নিষেধ পালন কৰা দেখা যায়। স্বজনৰ মাজত বিবাহ নিষিদ্ধ। গাঁওএখনৰ প্ৰতিজন লোককেই ৰক্ত সম্পৰ্ক থকা আত্মীয় হিচাবে গণ্য কৰা হয় বাবেই, তেওঁলোকে নিজৰ গাঁওৰ বাহিৰৰ পৰাহে বিয়া কৰায়।

বিয়াৰ সময়ত দৰা কইনা উভয়কে পুৰোহিতৰ সন্মুখত তেওঁলোকৰ সমূহীয়া চোতালত বহিবলৈ দিয়ে। পুৰোহিতে দুয়োকে ইজনে সিজনৰ প্ৰতি অটল বিশ্বাস ৰাখিব লাগিব বুলি কয়। ইয়াৰ পিছত কইনাৰ বান্ধৱীবোৰে দৰা-কইনাক ওচৰাওচৰিকৈ বহুৱাই জোৰেৰে বান্ধিবলৈ ধৰে আৰু দৰাই পলাবলৈ চেষ্টা কৰে। কিন্তু দৰা-কইনা উভয়ৰ বন্ধু বান্ধৱীবোৰে দৰাক পলাব নোৱাৰাকৈ হেঁচা মাৰি ধৰে আৰু ইয়াতেই বিবাহ সম্পন্ন হোৱা বুলি ধৰা হয়। ইয়াৰ পাছত অন্তিম মাংগলীক পূজা অৰ্চৰ্নাৰে দৰা-কইনাক বিবাহিত দম্পতী বুলি স্বীকৃতি দিয়ে।

বিবাহৰ পাছত সম্ভাব্য সন্তানৰ বাবে বিবাহিত দম্পতীয়ে কেতবোৰ বাধা নিষেধ (taboo) পালন কৰিবলগীয়া হয়। খোৱা খাদ্য, গাওঁ/ সম্প্ৰদায়ৰ বাহিৰলৈ যাতায়াত, সাগৰ নদীলৈ অহাযোৱা এইবোৰ বিভিন্ন ক্ষেত্ৰত taboo পালন কৰিবলগা হয়। সন্তান জন্মৰ আগতে আৰু কিছুদিন পাচলৈও, দম্পতীৰে খাদ্যৰ ক্ষেত্ৰত বিশেষ taboo মানিব লাগে।

মৃত্যুৰ ক্ষেত্ৰত এওঁলোকে অতি কঠোৰ আৰু জটিল সংস্কাৰ পালন কৰিব লাগে। ব্যক্তি এজনৰ মৃত্যুৰ বাতৰি পোৱাৰ লগে লগে মহিলাসকলে গোটখাই ভাগৰি নপৰালৈকে চিঞৰি চিঞৰি কান্দিবলৈ ধৰে। ইয়াৰ পিছত পুৰুষসকলেও তাত যোগদান কৰে। মৃতকৰ মূৰটো খুৰাই ক'লা আৰু বগা মাটিৰে আঁচ আঁচকৈ ৰেখা অংকন কৰে। ইয়াৰ পিছত মৃতকৰ শৰীৰটো এখন পাটিৰে মেৰিয়াই ৰছিৰে টানকৈ বান্ধে আৰু এজন ব্যক্তিয়ে পিঠিত কঢ়িয়াই শ্মশানলৈ লৈ যায়। শ্মশানত আত্মীয় স্বজনে মৃতকৰ মুখত জোৰে জোৰে ফু দি অন্তিম বিদায়ৰ লগতে শ্ৰদ্ধা জনায়। প্ৰাপ্ত বয়স্কৰ শ সৎকাৰৰ দুটা প্ৰথা এওঁলোকে পালন কৰা দেখা যায়। তিনি চাৰি ফুট দকৈ খন্দা গাতত মৰাশটো পূব মুৰাকৈ পুতি ৰাখে অথবা গছৰ ওপৰত সজা চাঙত মৰাশটোথৈ আহে।

আন্দামানৰ অধিবাসীসকলৰ মাজত ব্যক্তিগত আৰু ৰাজহুৱা উভয় প্ৰকাৰৰ সম্পত্তিৰ অৱস্থিতি মনকৰিবলগীয়া। এজন লোকৰ বাবে সাজ-পোছাক, চিকাৰৰ সজুঁলি আদি তেওঁৰ ব্যক্তিগত সম্পত্তি। চিকাৰ কৰি অনা জীৱজন্তু, প্ৰথমে আৱিস্কাৰ কৰা ফল লগা গছ এজোপা, সংগ্ৰহ কৰি অনা মাছ, ফলমূল আদি ব্যক্তিগত সম্পত্তি। আনহাতে বাসস্থান হিচাবে সজা উমৈহতীয়া ঘৰটো স্থানীয় গোটৰ সকলো সদস্যৰ ৰাজহুৱা সম্পত্তি।

এওঁলোকৰ মাজত স্বজন প্ৰীতিৰ বান্ধোন মনকৰিবলগীয়া। স্থানীয় গোটৰ কোনো সদস্যক অনাহাৰে ৰাখি বাকীবিলাকে আহাৰ গ্ৰহণ কেতিয়াও নকৰে। বিপদৰ সময়ত আৰু খাদ্য সংকটৰ সময়ত ইজনে সিজনক সম্পূৰ্ণ সহায় আগবঢ়োৱা দেখা যায়। এইসকল লোকৰ মাজত আইন প্ৰণয়নৰ বাবে কোনো কেন্দ্ৰীয় সমিতি তথা জনজাতীয় আদালত নাই। বয়োজেষ্ঠ লোকসকলৰ নিৰ্দ্দেশ স্থানীয় গোটৰ সদস্যসকলে সসন্মানে পালন কৰে।

আন্দামান দ্বীপপুঞ্জৰ অধিবাসী সকল জড় উপাসক। এওঁলোকৰ মাজত ভুত প্ৰেতৰ ধাৰণাৰ অৱস্থিতি মনকৰিবলগীয়া। Shaman বা যাদুকৰৰ ক্ষমতাও এইসকল লোকে ভক্তি ভাৱেৰে স্বীকাৰ কৰে। কিয়নো তেওঁলোকক ৰঙা কৰিব পাৰে বুলি বিশ্বাস কৰে। এওঁলোকৰ মাজত কোনো দেৱতাৰ উদ্দেশ্যে পূজাঅৰ্চনা কৰাৰ বিধি নাই। তেওঁলোকৰ প্ৰধান দেৱতা হৈছে পুলুগা আৰু তেওঁলোকে বিশ্বাস কৰে যে দেৱতা পুলুগাই আকাশত বাস কৰে আৰু সকলো সময়তে বিপদৰ পৰা ৰক্ষা কৰে। ❑

*লেখিকা দুধনৈ মহাবিদ্যালয়ৰ নৃতত্ব বিভাগৰ মুৰব্বী অধ্যাপিকা*

# কৌতুক

সংগ্ৰহ ঃ সুদৰ্শন ৰাভা



(১)

প্ৰশান্তই এখন হোটেলৰ পৰা ভাত খাই আহিল

প্ৰশান্ত ঃ ছেঃ হোটেলখনৰ কোনো বস্তুৱে ভাল নহয় সকলো বস্তুৱে বেয়া মেনেজাৰ ক'ত?

কৰ্মচাৰী ঃ চাৰ মেনেজাৰ নাই।

প্ৰশান্ত ঃ ক'ত গ'ল মেনেজাৰ?

কৰ্মচাৰী ঃ চাৰ মেনেজাৰ আন এখন হোটেলত ভাত খাব গৈছে।

(২)

মৃণালে গাড়ীৰ পৰা নামি আগবাঢ়ি আহিল।

মৃণাল ঃ আৰে ভাই আজি Post office টো কলৈ গ'ল?

দোকানি ঃ দাদা, এইটো Post office নহয়, এইটো আমাৰ চাইন বৰ্ড লিখা দোকানহে।



# সুখ সন্ধানী নিৰুদ্দেশ যাত্ৰা

জিতুমণি পাঠক

*"এদিন এটা মেকুৰীয়ে ৰাতিপুৱা সূৰ্যৰ হেলনীয়া কিৰণত নিজৰ প্ৰকাণ্ড ছাঁটো দেখি ভাবিলে— 'আজি মোক দুপৰীয়াৰ আহাৰৰ বাবে এটা উটৰ প্ৰয়োজন হ'ব। ঠিক সেই মুহূৰ্তটোৰ পৰা মেকুৰীটোৱে এটা উটৰ সন্ধানত দিনৰ দিনটো ঢপলিয়াই ফুৰিল। কিন্তু দুপৰিয়ালৈ ক'তো এটা উট যোগাৰ কৰিব নোৱাৰি এটা সময়ত সি ভাগৰত জুৰুলা হৈ বৈ দিলে। সেই সময়ত মূৰৰ ওপৰত থকা বেলিটোৰ কিৰণত নিজৰ সৰু হৈ পৰা ছাঁটোলৈ চাই সি হতভম্ব হ'ল আৰু চিঞৰি উঠিল— 'হাৰে, মোৰ বাবে চোন এটা নিগনিয়েই যথেষ্ট আছিল।"*

(এক)

খলিল জিব্ৰানৰ গল্পসমূহে মোক সদায়ে আকৰ্ষিত কৰি আহিছে। গল্পবোৰ বৰ চুটি চুটি। কিছুমানৰ হয়তো এটা বা দুটা শাৰীতেই মাথোঁ সীমাবদ্ধ, কিন্তু সেই এটি বা দুটি বাক্যৰে ৰচিত তেওঁৰ সৰু সৰু গল্পবোৰে যি এক গভীৰ জীৱন দৰ্শন প্ৰতিফলিত কৰে সেইয়া হয়তো এখন বৃহৎ কলেৱৰৰ উপন্যাসেও কৰি উলিয়াব নোৱাৰে। বহুদিন আগেয়ে পঢ়া তেনে এটি গল্পই মোক বৰকৈ ৰেখাপাত কৰিছিল। গল্পটো আছিল এনেধৰণৰ ঃ

"এদিন এটা মেকুৰীয়ে ৰাতিপুৱা সূৰ্যৰ হেলনীয়া কিৰণত নিজৰ প্ৰকাণ্ড ছাঁটো দেখি ভাবিলে— 'আজি মোক দুপৰীয়াৰ আহাৰৰ বাবে এটা উটৰ প্ৰয়োজন হ'ব। ঠিক সেই মুহূৰ্তটোৰ পৰা মেকুৰীটোৱে এটা উটৰ সন্ধানত দিনৰ দিনটো ঢপলিয়াই ফুৰিল। কিন্তু দুপৰিয়ালৈ ক'তো এটা উট যোগাৰ কৰিব নোৱাৰি এটা সময়ত সি ভাগৰত জুৰুলা হৈ বৈ দিলে। সেই সময়ত মূৰৰ ওপৰত থকা বেলিটোৰ কিৰণত নিজৰ সৰু হৈ পৰা ছাঁটোলৈ চাই সি হতভম্ব হ'ল আৰু চিঞৰি উঠিল— 'হাৰে, মোৰ বাবে চোন এটা নিগনিয়েই যথেষ্ট আছিল।"

জীৱনটোক বুজিবলৈ জীৱনৰ প্ৰয়োজন খিনিক জানিবলৈ হয়তো ইয়াতকৈ সহজ আৰু উৎকৃষ্ট উদাহৰণ কোনেও দিব পৰা নাই। একো নজনাকৈয়ে, একো

নুবুজাকৈয়ে আমিবোৰে আৰম্ভ কৰি দিছোঁ জীৱনৰ দীঘলীয়া দৌৰ। সেই দৌৰত ক'ব নোৱাৰাকৈয়ে এটা এটাকৈ পিষ্ট হৈ গৈছে আমাৰ মানৱীয় অনুভূতিবোৰ। মানুহ হিচাপেই আৰম্ভ কৰা দৌৰত লাহে লাহে আমি ৰূপান্তৰিত হ'বলৈ ধৰিছোঁ একো একোটা যন্ত্ৰ মানৱলৈ। কাৰণ জীৱনটোৰ আৰম্ভণিতেই আমি জুখি উলিয়াব চেষ্টা কৰা নাছিলো আমাৰ 'প্ৰয়োজন' বোৰৰ সীমাবদ্ধতাক। পেটলৈ নোচোৱাকৈ মেলি দিছিলো বহলকৈ মুখ। আনাহকত সৃষ্টি কৰি গৈছিলো অপ্ৰয়োজনীয় 'প্ৰয়োজন'ৰ। আমাৰ লালসাৰ ছাঁটোৰ অৱয়ৱ আমাৰ সঠিক প্ৰয়োজনতকৈ ক্ৰমে বৃহৎ হৈ গৈছিল। আৰু এটা সময়ত.......। এটা সময়ত আমি সকলোৰে ভাগৰি পৰিম। ভাগৰি পৰিম সেই সময়ত, যি সময়ত ওভতি আহাৰ সকলো পথ ৰুদ্ধ হৈ পৰিব। আৰু তেতিয়াই হয়তো বিশ্লেষণ কৰি চাম জীৱনক। খতিয়ান ল'ম পাৰ কৰি অহা জীৱনৰ এটি এটি মুহূৰ্তৰ। কি পালো, কি নাপালো, কিহৰ বাবে লৰিছিলো এই দীঘলীয়া দৌৰ! আপাহত হৈ পৰা সেই মুহূৰ্তটিত আমিও হয়তো চিৎকাৰ কৰি উঠিম মেকুৰীটোৰ দৰে,— 'উস! মোকটো ইমান খিনিৰ প্ৰয়োজন নাছিল।' চৌদিশে পাৰ্থিৱ প্ৰাপ্তিৰ বৃহৎ-বৃহৎ সৌধ সজায় তাৰ মাজত পৃষ্ঠভূমি হেৰুওৱা আমিবোৰ চাগে ওলমি ৰ'ম শূণ্যতাত।

(দুই)

আজিকালি প্ৰায়ে মই এনে কিছমান মানুহৰ সংস্পৰ্শলৈ আহিবলৈ লৈছো যিয়ে এটা বৃহৎ অংকৰ ধনৰ সপোন দেখিবলৈ আৰম্ভ কৰিছে। তাকো সৎ পথেৰে। বৰ্তমান সময়ত ব্যৱসায়-বাণিজ্যৰ জগতত হোৱা আমূল পৰিৱৰ্তনে তেওঁলোকৰ সপোনবোৰ পুষ্ট কৰিবলৈ নতুন নতুন দুৱাৰো খুলি দিছে। তথাপিও বহুতো হিচাপ-নিকাচৰ অন্তঃততো তেওঁলোকে সপোন দেখা সেই 'মেজিক নাম্বাৰ' টো জীৱন কালত চুবলৈ সক্ষম হ'ব বুলি মনে নধৰে। ইয়াতে হয়তো চয়তানে বাট মেলিব। সন্মুখত তুলি ধৰিব লালসাৰ বহুৰঙী টোপ। আমি কোনো মহাপুৰুষৰ স্থিত প্ৰজ্ঞতাৰে বলীয়ান নহয়। নিতান্তই সাধাৰণ মানুহ। লোভ-মোহৰ বশৱৰ্তী দাস। এটা অদ্ভুদ সপোন চুই চোৱাৰ লালসাই আমাৰ মূল বাটটোৰ কাষেৰে সৃষ্টি কৰিব অনেক অ-বাটৰ। মগজুত ইতিমধ্যে লালসাই ক্ৰিয়া কৰিব লোৱা আমিবোৰে বাৰু কিমান সময় উপেক্ষা কৰি থাকিব পাৰিম সেই প্ৰলোভনৰ অ-বাটবোৰক!

জীৱন আৰম্ভ নৌহওঁতেই আমিবোৰে স্থিৰ কৰি লৈছো আমাৰ কিমানে আমাক সন্তুষ্টি দিব সেই লক্ষ্যটোক। কিবাকৈ যদি সেই লক্ষ্যটো চুবলৈ সক্ষম হৈছো তথাপিও স্তব্ধ হোৱা নাই আমাৰ দৌৰ। কাৰণ লগাৰ তালিকাখনত নতুন নতুন সংযোজন ঘটিয়েই আছে। জীৱনৰ অন্ত নোহোৱালৈ কেতিয়াও স্তব্ধ নহয় সেই দৌৰ। কিন্তু দীঘলীয়া সেই দৌৰৰ সময়ছোৱাত আমি কেতিয়াও অনুধাৱণ কৰিব চেষ্টা কৰা নাই আমাক লাগে কিয়? যদি এবাৰলৈও আমি সেইয়া অনুধাৱন কৰিবলৈ প্ৰয়াস কৰিলো হয়, উচিত-অনুচিতৰ তুলাচনীত তাৰ জোখ ল'লো হয়, তেন্তে জীৱনে হয়তো তাৰ অন্তহীন দৌৰৰ সমাপ্তি ঘটায় আকৌ লাভ কৰিলে হয় তাৰ স্বাভাৱিক গতি। কিন্তু সেই স্বপ্ন আমাৰ বাবে আজি সুদূৰ পৰাহত। সকলোৰে আজি আমি পাৰ্থিৱ লালসাৰ জালত বন্দী। সেয়েহে আগ-পাছ নুশুনি আমি ল'ৰি আছো নিৰন্তৰ। মহাত্মা গান্ধীয়ে কৈছিল, "Earth provides enough to satisfy every man's need, but not every man's greed" আমাৰ ক্ষেত্ৰটো যেন একেই ঘটিছে। জীৱনৰ প্ৰাথমিকতাখিনি পূৰণ হোৱাৰ পিছতো কিন্তু দিনক দিনে বাঢ়ি গৈছে লালসাৰ জিভা। যিমানে পাইছো তাতোকৈ বেছি পোৱাৰ বাঢ়িছে উদগ্ৰ বাসনা। এই আকাংক্ষাৰ কোনো সীমনা নাই। জীৱন থকালৈকে প্ৰতিনিয়ত দহিত হ'ব লাগিব আমি এই সীমাহীন আকাংক্ষাৰ জুইকুৰাত।

(তিনি)

কিমান মানুহে বাৰু সদম্ভে ঘোষণা কৰিব পাৰে নিজকে 'সুখী' বুলি! আধুনিক জীৱন যাত্ৰাত আমাৰ চৌদিশ উপচি পৰিছে সুখ আহৰণৰ অজস্ৰ সম্ভাৰেৰে। শাৰিৰিক সুখৰ আহিলাবোৰ ক্ৰয় কৰিবলৈ হৃদয়ৰ সুখকণক বিক্ৰি কৰি গৈছো বাৰে বাৰে। যাৰ ফলত বাহ্যিক সুখৰ সম্ভাৰে ধাৰণ কৰিছে পৰ্বত-সমৰূপ; অথচ দিনক দিনে নিঃস্ব হৈ গৈছে হৃদয়ৰ

সুখ। অজস্র সুখৰ সম্ভাৰৰ মাজত আমি বহি ৰৈছোঁ এখন দুখী নিঃস্ব হৃদয় লৈ। আধুনিক মানৱৰ বাবে চাগে এইয়াই এক চৰম ট্ৰেজেদী।

দুখৰ সাগৰত পৰি কক্-বকাই থকাৰ সময়ত সকলোৰে মনত চাগে এটি প্ৰশ্ন আহে সুখৰনো উৎস কি? এইয়া সচাঁকৈ এক জটিল প্ৰশ্ন। এই মুহূৰ্তত মোৰ মনলৈ আহিছে মাত্ৰ কেইটিমান মাহ আগেয়ে মহাপ্ৰয়াণ ঘটা আধুনিক কল্পবিজ্ঞান সাহিত্যৰ যুগপুৰুষ স্বৰূপ ৰে ব্ৰেডবেৰিয়ে নিজৰ সুখৰ আধাৰ সম্পৰ্কে কৰা মন্তব্যটিক লৈ। ৰে ব্ৰেডবেৰি আছিল যেন প্ৰাণ-প্ৰাচুৰ্যৰে ভৰা সদা সুখী এক ব্যক্তিত্বৰ নাম। তেওঁ নিজেই কৈছিল "প্ৰতিদিনে যেতিয়া মই দাপোনখনৰ সন্মুখত থিয় দিওঁ তেতিয়াই দেখিবলৈ পাওঁ তাত এগৰাকী অতি সুখী মানুহ থিয় হৈ ৰৈছে। মাজে মাজে মই নিজেই ভাবি অবাক হওঁ যে কিদৰে মই ইমান সুখী হ'ব পাৰিছোঁ! ইয়াৰ উত্তৰো মই ততালিকে পাই যাওঁ। দাপোনত থকা মানুহ গৰাকীয়ে সুখৰ উৎসটো বিচাৰি উলিয়াইছে সৃষ্টিশীল কৰ্মৰাজিৰ মাজত; নিজক পাৰ্থিৱ মায়া মোহৰ মাজত নহয়। মানৱ জাতিৰ সামগ্ৰিক কল্যাণৰ বাবেই সেই মানুহ গৰাকী আজি ইমান কৰ্মব্যস্ত আৰু সেই ইতিবাচক ভাৱধাৰা সমৃদ্ধ কৰ্মব্যস্ততাই তেওঁৰ সন্মুখত মেলি ধৰিছে সুখৰ অফুৰন্ত পোহৰ।"

**(চাৰি)**

ৰে ব্ৰেডবেৰিৰো আকাংক্ষা আছিল নিজকে সুখী কৰাৰ। কিন্তু আমাৰ আৰু তেওঁৰ মাজত যেন সেই আকাংক্ষাৰ ক'ৰবাত ভিন্নতা আছিল যাৰবাবে তেওঁ বিচৰাৰ দৰে সুখী হ'ব পৰাৰ বিপৰীতে সুখে আমাৰ পৰা অৱস্থান কৰিছে হাজাৰ যোজন দূৰত। ভালকৈ জুকিয়াই চালে অনুভৱ হয় যে সেই ভিন্নতাৰ বুনিয়াদ আছিল আকাংক্ষাৰ প্ৰকাৰতাত। সামান্য ভিন্নতাই তেওঁক উপচাই পেলাইছিল সুখৰ প্ৰাচুৰ্যৰে আৰু আমাক নিক্ষেপ কৰিছে দুখৰ অটল গহ্বৰলৈ। তেওঁ প্ৰয়াস কৰিছিল নিজ সৃষ্টিশীল কৰ্মৰ জৰিয়তে আনক সুখ সন্ধান দিবলৈ আৰু আমি প্ৰাণান্তক শ্ৰম কৰিছো আনৰ সুখবোৰ আঁজুৰি আনি নিজৰ জোলোঙা ভৰাবলৈ। অহোৰাত্ৰি মৰিচিকাৰ পিছত ঘূৰিছো সুখক কুক্ষিগত কৰা স্বপ্নেৰে। ফলাফল কিন্তু শূণ্য। ক্ষুদ্ৰ ব্যক্তি স্বাৰ্থৰে নিমজ্জিত আমাৰ এই সুখ সন্ধানী অবিৰত যাত্ৰাত বাৰে বাৰে বগাব লগা হৈছে দুখৰ হাজাৰ পাহাৰ। জীৱনে ক্ষত-বিক্ষত কৰি পেলোৱাৰ মুহূৰ্তত আমি আৰম্ভ কৰিছো আত্ম-প্ৰতাৰণাৰ খেল। আৰম্ভ কৰিছো স্তূপীকৃত দুখবোৰক ঢাকি ৰখাৰ অন্য এক নিচক প্ৰৱঞ্চনা। বেদনাই দাগ কাটি যোৱা মুখবোৰ লুকুৱাবলৈ আঁৰি লৈছো একো-একোখন মুখা। প্ৰাণ-চঞ্চল জীৱনৰ। সুখী মানুহৰ।

লিখনিটিৰ মোখানি মাৰিব বিছাৰিছো খলিল জিব্ৰানৰ আন এটি গল্পেৰে। গল্পটিৰ নাম লুকা-ভাকু।

"লুকা-ভাকু ঃ আহকচোন, আমি আকৌ এবাৰ লুকা-ভাকু খেলো। আপুনি যদি নিজৰ মাজত লুকাই তেন্তে আপোনাক বিচাৰি উলিয়াওতে মোৰ কষ্ট নহ'ব। কিন্তু যদিহে আপুনি মুখাৰ আঁৰত লুকাই তেন্তে আপোনাক বিচাৰি পোৱাটো মোৰ বাবে অসম্ভৱ হ'ব।"

আমি আজি সকলো মুখাৰ আঁৰত। সুখৰ সম্ভাৰেৰে ভৰা দুখৰ পাহাৰত বহি আনক দেখুওৱাইছোঁ 'সুখৰ হাঁহি'। যেন ধনেৰে কিনি পেলাইছো পৃথিৱীৰ সমস্ত সুখ। তাকে দেখি আনবোৰে ভাবিছে সুখ বিক্ৰয়যোগ্য। আৰম্ভ হৈছে সুখ ক্ৰয়ৰ বাবে ধন ঘটাৰ অঘোষিত প্ৰতিযোগিতা। অধিক সুখৰ বাবে অধিক ধনৰ। জীৱনতনো প্ৰকৃত সুখৰ আধাৰ কি তাক নজনাকৈয়ে, নুবুজাকৈয়ে। ❑

---

*লেখক দুধনৈ মহাবিদ্যালয়ৰ নৃতত্ত্ব বিভাগৰ সহযোগী অধ্যাপক*

# শিক্ষা বিভাগৰ শিক্ষামূলক ভ্ৰমণ

ড° মিনতি চৌধুৰী

দুধনৈ মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ মেজৰৰ ছাত্ৰ-ছাত্ৰীৰ পঢ়াশুনাৰ বাহিৰেও তেওঁলোকৰ ব্যক্তিত্ব আৰু প্ৰতিভা বিকাশ নেতৃত্ব দিব পৰা গুণ, একেলগে কাম কৰাৰ অভিজ্ঞতা, অনুষ্ঠান আয়োজন কৰা, কথা ক'ব পৰা আদি বিভিন্ন দিশৰ বিকাশৰ বাবে শিক্ষা বিভাগৰ পৰা মই ব্যক্তিগত ভাৱে যথেষ্ট চেষ্টা কৰি আহিছো। তাৰ বাবে শিক্ষা বিভাগৰ শিক্ষক শিক্ষয়ত্ৰী আৰু মেজৰৰ ছাত্ৰ-ছাত্ৰীক লৈ "শিক্ষা সমাজ" নামৰ এটি অনুষ্ঠানো গঢ়ি উঠাইছো। চেমিনাৰ, চাৰ্ভে, পিকনিক, শিক্ষামূলক ভ্ৰমণ, interdisdiplinary class, মেজৰৰ ছাত্ৰ-ছাত্ৰীৰ মাজত নৱাগতা আদৰণী সভা আদি বিভিন্ন কাৰ্যসূচী পাতি থকা হয় সময়ে সময়ে। যোৱা ১২ অক্টোবৰত অকল তৃতীয় বাৰ্ষিক মেজৰৰ ছাত্ৰ-ছাত্ৰীক লৈ আমি শিক্ষা বিভাগে গুৱাহাটীত হোৱা গ্ৰন্থমেলালৈ গৈছিলো। তাৰ লগতে শ্ৰীমন্ত শংকৰ দেৱ কলাক্ষেত্ৰলৈও লৈ গৈছিলো। উভতি অহাৰ পিছত তাতেই তেওঁলোকক ক্ষান্ত নাৰাখি তেওঁলোকৰ অভিজ্ঞতাসমূহ লিখিবলৈ ক'লো। সেই লিখনিবোৰ আকৌ class ত পঢ়িব দি আলোচনা কৰাও হ'ল। তেওঁলোকৰ লেখা আৰু অনুভৱবোৰ প্ৰকাশ কৰিব পাৰি নেকি চিন্তা কৰোতেই দুধনৈ মহাবিদ্যালয়ৰ আলোচনীৰ তত্ত্বাৱধানত থকা ড° হৰকুমাৰ নাথে উৎসাহিত কৰিলে। সেয়েহে এইখিনিতে তেওঁক প্ৰকাশৰ সুবিধা দিয়া বাবে কৃতজ্ঞতা জনালো। ইয়াৰ লগতে মোৰ একালৰ ছাত্ৰ অৰ্থাৎ দুধনৈ মহাবিদ্যালয় ছাত্ৰ শিল্পী মধুসূদন দাসক (তেখেতে কলাক্ষেত্ৰত কাম কৰে) ফোনেৰে সহজে কলাক্ষেত্ৰখন দেখুৱাবলৈ মতাত তেওঁ আহি সহযোগ কৰাত তেওঁকো কৃতজ্ঞতা জনালো এইখিনিতে মই জনাবলৈ সুখী হ'ম যে তৃতীয় বাৰ্ষিকৰ শিক্ষা বিভাগৰ মেজৰৰ ছাত্ৰ-ছাত্ৰীসকলক লৈ মই গৌৰৱ অনুভৱ কৰো তেওঁলোকৰ ব্যৱহাৰ, অমায়িকতা আৰু দায়িত্ববোধৰ বাবে।

ছাত্ৰ-ছাত্ৰীবোৰৰ এই ভ্ৰমণৰ অভিজ্ঞতাৰ কিছু আভাষ তলত দিয়া হ'ল—

*দ্বীপৰ বিলৰ নীলা পনী,*
*সেউজীয়া মেটেকা, পাৰৰ*
*শুকুলা কঁহুৱা, নীলা নীলা*
*নীলাচল পাহাৰে যেতিয়া*
*হৃদয়খনক বাৰুকৈয়ে স্পৰ্শ*
*কৰি গৈছিল। যেতিয়া*
*গুৱাহাটী বিশ্ববিদ্যলয়খন*
*দেখিলো তেতিয়া মনত*
*কিবা এক বেলেগ ধৰণৰ*
*শিহৰণ উঠিছিল। সুধাকণ্ঠ ড°*
*ভূপেন হাজৰিকা দেৱৰ*
*অন্তেষ্টিক্ৰিয়া সম্পন্ন কৰা*
*ঠাই ডোখৰ বাছৰ পৰাই*
*দেখি তেখেতৰ সৃষ্টিৰ গান*
*সমূহলৈ মোৰ মনত পৰিল।*
*বিশেষভাৱে এটি গানৰ*
*কলি— "মানুহে মানুহৰ*
*বাবে"।*

**যুগস্মিতা কলিতা**

দুধনৈ মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ মুৰব্বী অধ্যাপিকা ড° মিনতি চৌধুৰী বাইদেউয়ে ক্লাচত আহি আমাক ক'লে যে, "তোমালোকে গুৱাহাটীত অনুষ্ঠিত হৈ থকা গ্ৰন্থমেলালৈ যাবা নেকি? এই কথা শুনা মাত্ৰকে আমি উল্লাসিত হৈ সকলোৱে একেলগে ক'লো যে বাইদেউ নিশ্চয় যাম। মিনতি বাইদেউয়ে হাঁহি মুখেৰে ক'লে যে, তোমালোকে সকলোৱে মিলি আলোচনা কৰি যোৱাৰ দিন ঠিক কৰি মোক ক'বা।

১২ তাৰিখে ৰাতিপুৱা যাত্ৰা আৰম্ভ কৰি যাত্ৰাপথত আমি বহুত আনন্দ কৰি ৰাজাপাৰা পোৱাত ছাৰ বাইদেউ সহিতে আমি সকলো ছাত্ৰ-ছাত্ৰী তথা বন্ধু- বান্ধৱী হোটেল এখনত সোমালো। আমাৰ বান্ধৱী কাঞ্চনে লৈ যোৱা ব্ৰেড কল আৰু হোটেলৰ জুতি লগা গৰম চাহেৰে খাই বহুত ভাল লাগিল। আকৌ যাত্ৰা আৰম্ভ কৰিলো, আমাৰ লক্ষ্যস্থান চানমাৰীত অনুষ্ঠিত হৈ থকা গ্ৰন্থমেলালৈ। গাড়ীৰে গৈ থকা সময়ছোৱাত আমি অন্ত্যাক্ষৰী আৰম্ভ কৰিলো আৰু আমাৰ লগত ছাৰ বাউদেউ সকলে সহযোগ কৰিলে। জগবন্ধু ছাৰে ড° ভূপেন হাজৰিকাৰ গান গাই শুনালে। আমি গ্ৰন্থমেলা ১১.৩০ বজাত গৈ পালো। ভিতৰত সোমাই গৈ অনুভৱ হ'ল এয়া যেন এখন গ্ৰন্থৰ জগতহে। তাত মিনতি বাউদেউ আৰু পাৰুল বাইদেউৰ লগতে আমিও আমাৰ পাঠ্যক্ৰমৰ আৰু বিভিন্ন ধৰণৰ কিতাপ কিনি লোৱাৰ পিছত গ্ৰন্থমেলাতে ১ মান বজাত পাৰুল বাইদেউয়ে আমাক ভাত খুৱালে...

**ৰাহুল ৰাভা**

১২-১০-১২ ইং শুক্ৰবাৰ, পুৱতি নিশা ৩ মান বাজিছে। বেনাৰখন লিখা সম্পূৰ্ণ কৰিবলৈ উত্ৰাৱল। বেনাৰখন সম্পূৰ্ণ কৰি গাওঁৰ এঘৰৰ পৰা টকা কিছু ধাৰলৈ লৈ ভাত পানী খাই গা-পা ধুই সাতমান বজাত কলেজলৈ ৰাওনা হ'লো। বেনাৰখন বাহত আৰি দিয়াৰ পিছত আঠমান বজাত আৰম্ভ হ'ল আমাৰ হেপাঁহৰ গুৱাহাটী ভ্ৰমণ। লক্ষ্য "গ্ৰন্থমেলা"।

ঠিক বাহত উঠাৰ আগমূহুৰ্তৰ এটি স্মৃতি যেন মই কতিয়াও পাহৰিব নোৱাৰিম। বান্ধৱী লিজুমনি দেৱীয়ে তাইৰ মায়ে মোৰ বাবে পঠিয়াই দিয়া বুলি কোৱা পইচাখিনি মোক দিছিল, তেতিয়া মই বৰকৈ লাজ, এক প্ৰকাৰৰ দুখ আনুভৱ কৰিছিলো। যাত্ৰা পথত বাহত আৰম্ভ হোৱা অন্ত্যাক্ষৰী, হাত চাপৰি, হাঁহিৰ মাজত হেৰাই গৈছিলো। এই আনন্দই এতিয়ালৈকে ভাৱিবলৈ বাধ্য কৰাই মনটোক। দ্বীপৰ বিলৰ নীলা পনী, সেউজীয়া মেটেকা, পাৰৰ শুকুলা কঁহুৱা, নীলা নীলা নীলাচল পাহাৰে যেতিয়া হৃদয়খনক বাৰুকৈয়ে স্পৰ্শ কৰি গৈছিল। যেতিয়া গুৱাহাটী বিশ্ববিদ্যলয়খন দেখিলো তেতিয়া মনত কিবা এক বেলেগ ধৰণৰ শিহৰণ উঠিছিল। সুধাকণ্ঠ ড° ভূপেন হাজৰিকা দেৱৰ অন্তেষ্টিক্ৰিয়া সম্পন্ন কৰা ঠাই ডোখৰ বাহৰ পৰাই দেখি তেখেতৰ সৃষ্টিৰ গান সমূহলৈ মোৰ মনত পৰিল। বিশেষভাৱে এটি গানৰ কলি— "মানুহে মানুহৰ বাবে"।

গ্ৰন্থমেলাত সোমায়েই এনে ভাৱ হ'ল, এয়া কিতাপৰ খেতি পথাৰ নেকি— ইমানবোৰ কিতাপ, কিতাপৰ উদ্যান নেকি। দ্বিতীয় লক্ষ্যস্থানত দ্বিতীয় পৰ্য্যায়ৰ যাত্ৰা পথত বেলতলা স্থিত ড° মিনতি চৌধুৰী বাইদেউৰ ঘৰখনত সোমোৱাৰ সুবিধা পালো। তেওঁৰ ঘৰখনত সোমাই যেতিয়া এখন ফটো দেখিলো যাৰ বুকুৰ মাজেৰে লিখা "I'm lost" বুলি। সচাকৈ বেদনাদায়ক। ফটোখন আছিল মেমৰ একমাত্ৰ ল'ৰা জনৰ। যি আমাৰ মাজত সো-শৰীৰে নাই। ঠিক সেই সময়তে মোৰো যে এজন ভাইটি আৰু একমাত্ৰ ভন্টি ঠিক মেমৰ ল'ৰাজনৰ নিচিনাকৈ আঁতৰি গৈছিল সেই কথা মনত পৰি দুখ লাগি গৈছিল...

**স্বপ্না হাজৰিকা**

কাঞ্চনে লৈ যোৱা ব্ৰেড, কল আৰু হোটেলৰ জুটি লগা গৰম চাহেৰে ব্ৰেকফাষ্ট কৰি আমি যাত্ৰা আৰম্ভ কৰিলো। আমাৰ গন্তব্যস্থান গ্ৰন্থমেলা। যাত্ৰাপথত আমি গাড়িত 'আন্তাক্ষৰ' আৰম্ভ কৰিলো, আমাক সহযোগ কৰিলে পাৰুল বাইদেউ আৰু জগবন্ধু ছাৰে। মই অনুভৱ কৰিছিলো যে, আমাৰ এই আন্ত্যাক্ষৰীত আমাৰ দলটোৰ তত্বাবধায়িকা হিচাপে থকা মিনতি বাইদেউয়ে গাম্ভীৰ্যতাৰ এখন চাদৰ আঁৰি আমাক সহযোগ কৰিছিল।

*গ্ৰন্থমেলাৰ ভিতৰত প্ৰৱেশ কৰিয়েই মোৰ এনে অনুভৱ হৈছিল যেন মই এটা মন্দিৰত প্ৰৱেশ কৰিছো, তাত শাৰী-শাৰীকৈ সজাই যোৱা কিতাপৰ দোকানবোৰ যেন একো একোটা ভগৱানৰ মূৰ্ত্তি কি যে পৱিত্ৰ অনুভৱ।*

গ্ৰন্থমেলাৰ ভিতৰত প্ৰৱেশ কৰিয়েই মোৰ এনে অনুভৱ হৈছিল যেন মই এটা মন্দিৰত প্ৰৱেশ কৰিছো, তাত শাৰী-শাৰীকৈ সজাই যোৱা কিতাপৰ দোকানবোৰ যেন একো একোটা ভগৱানৰ মূৰ্ত্তি কি যে পৱিত্ৰ অনুভৱ।

গ্ৰন্থমেলাৰ পৰা ওলাই আমি কলাক্ষেত্ৰ অভিমুখে ৰাওনা হ'লো। কলাক্ষেত্ৰত আমি সকলোৱে ছাৰ-বাইদেউৰ লগত বহুত ফটো উঠিলো। মিনতি বাইদেউৰ প্ৰাক্তন ছাত্ৰ মধুসুধন ছাৰে আমাক 'গাইড' কৰি কলাক্ষেত্ৰখন দেখুৱালে। তাত আমি "Light and sound" নামৰ অনুষ্ঠানটো চালো আৰু তাত আমি আমাৰ অসমৰ বাৰেবৰণীয়া ৰূপ দেখা পালো। অনুভৱ হ'ল যে আমাৰ অসমখন কিমান জাতি-জনজাতিৰে পূৰ্ণ এখন অপৰূপ ৰাজ্য, যাৰ এক সুকীয়া পৰিচয় আছে...

### পোণাকন ৰাভা

ভ্ৰমণৰ দিনা ছয় বজাত উঠি চাফ চিকুণ হৈ ভ্ৰমণৰ বাবে সাজু হ'লো। সকলোৱে দুধনৈ কলেজত উপস্থিত হ'লো। গ্ৰন্থমেলালৈ দুধনৈৰ পৰাই ভ্ৰমণৰ শুভাৰম্ভ কৰিলো। প্ৰায় ১১.৩০ মান বজাত গ্ৰন্থমেলাত সাধাৰণ মানুহৰ বাবে টিকটৰ প্ৰয়োজন আছিল কিন্তু ছাত্ৰ-ছাত্ৰীৰ বাবে টিকটৰ প্ৰয়োজন নাই বুলি জানি আমি আটাইয়ে নিজৰ নিজৰ পৰিচয় পত্ৰবোৰ লৈ প্ৰৱেশ কৰিলো। তাত প্ৰয়োজনীয় কিতাপ সমূহ কিনি লৈ দুপৰীয়াৰ আহাৰ খাই গ্ৰন্থমেলাৰ সামৰণি মাৰিলো। গ্ৰন্থমেলাৰ পৰা ওলাই আহি বাছত উঠি কলাক্ষেত্ৰ অভিমুখে ৰাওনা হ'লো। কলাক্ষেত্ৰত প্ৰৱেশ কৰোতে আমাক টিকটৰ প্ৰয়োজন হৈছিল। মিনতি বাইদেউয়ে তেওঁৰ বান্ধৱী আৰু কলাক্ষেত্ৰৰ সঞ্চালিকা শাৰদী শইকীয়াৰ লগত ফোনত কথা পাতি টিকটৰ মূল্য হ্ৰাস কৰি দিছিল। কলাক্ষেত্ৰত সোমাই প্ৰথমে আমি ভূপেন হাজৰিকা দেৱৰ সংগ্ৰহালয়টো চালো। ওভতাৰ পথত কিছুদূৰ যোৱাৰ লগে লগে মিনতি বাইদেউয়ে ক'লে যে, "যাওঁতে সোঁফালে বালাজী মন্দিৰটো চাই যাবা"...

### ডলী কলিতা

এনেদৰে গৈ থাকোতে যেতিয়া মিনতি বাইদেউয়ে আমাক গুৱাহাটী বিশ্ববিদ্যালয়খন দেখুৱাই দিলো। আমি আটায়ে থৰ লাগি সেইফালে চাইছিলো। বিশ্ববিদ্যালয়ৰ গাতে লাগি থকা ড° ভূপেন হাজৰিকা দেৱৰ সমাধি স্থলত মই গাড়ীৰ পৰাই প্ৰণাম জনালো। গাড়ীৰ পৰাই নীলাচল পাহাৰখন দেখি খুব ভাল লাগিল। এনেদৰে হাঁহি ফুৰ্তিৰ মাজেৰে প্ৰায় ১১.৩০ মান বজাত আমি চানমাৰিত হৈ থকা উত্তৰ-পূৰ্ব প্ৰকাশক সন্থাই আয়োজন কৰা গ্ৰন্থমেলাত উপস্থিত হ'লো। ছাৰ-বাইদেউ সকলৰ লগত আমি আটায়ে অনুশাসন ৰক্ষা কৰি এজন এজনকৈ ভিতৰত প্ৰৱেশ কৰিলো। গ্ৰন্থমেলাৰ ভিতৰত প্ৰৱেশ কৰিয়েই মোৰ এনে অনুভৱ হৈছিল যেন মই এটা মন্দিৰত প্ৰৱেশ কৰিছো, তাত শাৰী-শাৰীকৈ সজাই যোৱা কিতাপৰ দোকানবোৰ যেন একো একোটা ভগৱানৰ মূৰ্ত্তি কি যে পৱিত্ৰ অনুভৱ। কিতাপৰ দোকানত সোমায়েই মোৰ চকুযুৰিয়ে পিটপিটাই বিচাৰি ফুৰিছিল মই কিনিব বিচৰা কিতাপকেইখনক। অৱশেষত আমি আটাইয়ে নিজৰ নিজৰ পছন্দৰ কিতাপ সমূহ লৈ গ্ৰন্থমেলাৰ পৰা ওলালো আৰু আটাইয়ে হোটেলত ভাত এসাঁজ একেলগে খালো। তাৰ পিছত আমি বাছত উঠিলো, বাছখন আগবাঢ়িল 'কলাক্ষেত্ৰ' অভিমুখে। কলাক্ষেত্ৰত আমি এজন ব্যক্তিক লগ পালো। মিনতি বাইদেউয়ে তেওঁক চিনাকী কৰাই দিলে। তেওঁৰ নাম মধুসূধন দাস, দুধনৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ। তেওঁ প্ৰথমে আমাক ড° ভূপেন হাজৰিকা দেৱৰ সংগ্ৰহালয়টো দেখুৱালে। সংগ্ৰহালয়টোৰ ভিতৰত এক নিস্তব্ধ পৰিৱেশ। তাত ড° ভূপেন হাজৰিকা দেৱৰ "শয়ন কক্ষ" আৰু "চ'ৰাঘৰ"টো দেখি মোৰ চকু সেমেকি উঠিছিল। মনত পৰিছিল তেখেতৰ এটি গীতৰ কলি—"মই যেতিয়া এই জীৱনৰ মায়া এৰি গুচি যাম"...

### পিংকী চন্দা

স্কুলত থকা সময়ত গ্ৰন্থমেলাৰ বিষয়ে পঢ়িছিলো আৰু ৰচনাও লিখিছিলে, কিন্তু গ্ৰন্থমেল া কেনেকুৱা হয় সেই বিষয়ে অভিজ্ঞতা নাছিল। আমি গান গাই, নাচি যাত্ৰা আৰম্ভ কৰিলো আৰু আমাৰ লগত ছাৰ-বাইদেউয়েও যোগদান কৰিলো।